# আমাৰ লগত থাকক প্ৰতিদিনে শিকক

- সৰ্বপ্ৰথম আমাৰ সৃষ্টি কেতিয়া আৰু ক'ৰ পৰা হৈছিল ?
- **মৃত্যুৰ আগৰ পিছৰ আৰু বৰ্তমান যুগৰ বিষয়ে এটি বিশেষ আলোচনা।**
- **মৃত্যুৰ সময়ত মুছলমান আৰু কাফিৰে কি দেখা পায়।**
- মৃত্যুৰ পিছত ৰূহ ক'ত যায় ?, আলমে বাৰযাখ কি ?
- মৃত্যুৰ পিছত ৰূহৰ সম্পৰ্ক শৰীৰৰ লগত থাকেনে ?
- **ফিৰিস্তা কবৰত কেনেকুৱা ৰূপত উপস্থিত হ'ব ?**
- মৃত্যুৰ পিছত কি হ'ব,কবৰত কি প্ৰশ্ন কৰা হ'ব ?
- শৰীৰ মাটিত মিলি যোৱাৰ পিছত কেনেকৈ পুনৰ্জীৱিত হ'ব ?
- টোপনি গ'লে ৰূহ ক'ত থাকে ?, টোপনিৰ পদ্ধতি নবীৰ পৰা।
- জন্মৰ পূৰ্বে ক'ত আছিলোঁ ?

وَاللهُ أَعْلَمُ عَزَّوَجَلَّ وَرَسُوْلُهُ أَعْلَم صَلَّى اللهُ تَعَالٰى عَلَيْهِ وَآلِهٖ وَسَلَّم

Scanned with CamScanner

# আমাৰ সৰ্বপ্ৰথম সৃষ্টি ক'ৰ পৰা হৈছিল

## ❋ সৰ্বপ্ৰথম আমাৰ সৃষ্টি কেতিয়া আৰু ক'ৰ পৰা হৈছিল ◆

### ❋ আল্লাহৰ পাকে কৈছে:

وَإِذْ أَخَذَ رَبُّكَ مِن بَنِي آدَمَ مِن ظُهُورِهِمْ ذُرِّيَّتَهُمْ وَأَشْهَدَهُمْ عَلَىٰ أَنفُسِهِمْ أَلَسْتُ بِرَبِّكُمْ قَالُوا بَلَىٰ شَهِدْنَا أَن تَقُولُوا يَوْمَ الْقِيَامَةِ إِنَّا كُنَّا عَنْ هَٰذَا غَافِلِينَ

আৰু স্মৰণ কৰা,যেতিয়া তোমাৰ প্ৰতিপালকে আদম সন্তানৰ পিঠিৰ পৰা তাৰ বংশধৰক উলিয়াইছিল আৰু সিহঁতৰ নিজৰ বিষয়ে স্বীকাৰোক্তি গ্ৰহণ কৰিছিল(আৰু কৈছিল,)'মই তোমালোকৰ ৰব নহয় নে ? সিহঁতে কৈছিল, 'হয় নিশ্চয় আমি সাক্ষী থাকিলো'। এইটো এইবাবে যে,তোমালোকে যাতে কিয়ামতৰ দিনা ক'ব নোৱাৰা যে,আমি এই বিষয়ত জ্ঞাত নাছিলো। (ছুৰা আল আৰাফ:১৭২)

আনহাতে হাদিছ শ্বৰীফত নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামেও এই বিষয়ে খবৰ দিয়ে যে:আল্লাহ পাকে আদম আলাইহিচ্ছালামৰ পিঠিৰ পৰা তেওঁৰ বংশধৰক উলিয়াইছিল।

(ترمذی،کتاب التفسیر،باب ومن سورۃ الاعراف،۵/۵۱،الحدیث:۳۰۸۶)

এই আয়াত ও হাদিছৰ বাখ্যা কৰি তফছিৰে খাজিনত লিখা আছে:বংশধৰক উলিয়াওৱা সেই নিয়মতেই যিদৰে দুনীয়াত এজনৰ পৰা আনজনৰ জন্ম। অৰ্থাৎ হজৰত আদম আলাইহিচ্ছালামৰ পিঠিৰ পৰা তেওঁৰ সন্তানসকলক, আৰু সন্তানসকলৰ পিঠিৰ পৰা তেওঁলোকৰ সন্তান।এনেদৰেই কিয়ামত পৰ্যন্ত জন্ম হ'ব লগা লোক। আল্লাহ পাকে ৰুহ বোৰক মস্তিষ্ক(আকল)দি সিহঁতৰ সন্মূখত আল্লাহ যে "এক-অদ্বিতীয়,তেওঁ কাৰো মুখাপেক্ষী নহয় সকলো তেওঁৰেই মুখাপেক্ষী,তেওঁৰ সমতুল্য কোনো নাই।" ইয়াৰ ওপৰত প্ৰমাণ ও দলিল দি আল্লাহে তেওঁ মা'বুদ ও মালিক তথা উপাস্য হোৱাৰ সাক্ষ্য বিচাৰিছে।তেতিয়া সকলোবোৰ ৰূহে(আত্মাই)কৈছে: 'হয় নিশ্চয়,আমি নিজৰ প্ৰতি স্বীকাৰোক্তি গ্ৰহণ কৰিছো আৰু তোমাৰ ৰব তথা উপাস্যতাৰ সাক্ষী দিছো(যে তুমিয়েই আমাৰ স্ৰষ্টা,স্ৰষ্টাহে সৃষ্টিৰ ভাগ্য নিয়ন্তা)।

(خازن،الاعراف،تحت الآیۃ:۱۷۲، ۲/۱۵۶)

### ❋ ৰূহ(আত্মা)ৰ পৰা আল্লাহে তেওঁ ৰ'ব(মালিক)হোৱাৰ সাক্ষী কিয় লৈছিল

যিবোৰে এক আল্লাহৰ অমান্য কৰি কুফুৰ ও শ্বীৰ্কত লিপ্ত থাকিব,সেইবোৰে বিচাৰৰ দিৱসৰ দিনা ক'ব ইয়া আল্লাহ! আমাৰ কোনো দোষ নাই। কাৰণ আমিটো এইবিষয়ে নাজানিছিলোৱেই যে তুমি আমাৰ ৰ'ব,স্ৰষ্টা,তোমাৰ বাহিৰে অইন উপাস্য নাই। এ দয়ালু খোদা! তুমিটো অজ্ঞাত লোকৰ হিচাপ নোলোৱা গতিকে আমাক এৰি দিয়া আৰু শাস্তিমুক্ত কৰা। সেয়েহে আল্লাহ তাআ'লাই আগতেই সমস্ত ৰূহৰ পৰা সাক্ষী লৈছিল যাতে কিয়ামতৰ দিনা সিহঁতে কোনো আৰোপ লগাব নোৱাৰে।

যথা আল্লাহে কৈছে:

أَن تَقُولُوا يَوْمَ الْقِيَامَةِ إِنَّا كُنَّا عَنْ هَٰذَا غَافِلِينَ

Scanned with CamScanner

# জীৱনৰ কেইবাটাও স্তৰ

(সাক্ষী এইবাবে লোৱা হৈছে)যে,তোমালোকে যাতে কিয়ামতৰ দিনা ক'ব নোৱাৰা যে,আমি এই বিষয়ত জ্ঞাত নাছিলো। তাৰোপৰি এই সাক্ষীক পুনৰ মনত পেলাই দিয়াৰ বাবে আল্লাহে নবী,ৰছুল সকলক পৃথিৱীত পঠায়। কিতাপ নাজিল কৰি সিহঁতৰ সন্মূখত সত্য উদঙাই দিয়ে। গতিকে এয়া আৰোপ লগোৱা যে "আমি এই বিষয়ে জ্ঞাত নাছিলো" গ্ৰহনযোগ্য নহ'ব।

(بغوی،الأعراف،تحت الآیۃ–۱۷۸،۲/۱۷۲،۲)

**❋ ইয়াৰ পৰা বুজা আৱশ্যেকীয় কথা ❋**

১)চৰিয়তৰ আদেশৰ প্ৰতি অজ্ঞাত থকা কোনো ওজৰ তথা গ্ৰহণযোগ্য কথা নহয়। "মই অজ্ঞাত আছিলোঁ বা মই নাজানিছিলোঁ" এইবোৰ কথাই আল্লাহৰ আজাবৰ পৰা বচাব নোৱাৰিব।

২)আকিদাহত পূৰ্বপুৰুষৰ অনুসৰণ ঠিক নহয়। আল্লাহে সুস্থ মস্তিষ্ক দান কৰিছে গতিকে নিজে বিবেচনা তথা গৱেষণা কৰি সঠিক আকিদাহ আকোঁৱালি লোৱা উচিত।

৩)গুণাহৰ কাম উদ্ভাৱন কৰাটো যদিও অতি নিকৃষ্ট কাম কিন্তু পিছত উক্ত গুণাহ কৰোঁতাও গুণাহগাৰ ও অপৰাধী বিবেচিত হ'ব। সিহঁতে এয়া আৰোপ লগাব নোৱাৰিব যে এই গুণাহ আমিটো উদ্ভাৱন কৰা নাই।

(تفسیر صراط الجنان،تحت مذکورۃ الآیۃ)

কোৰআন ও হাদিছৰ আলোকত

**❋ জীৱনক পাঁচটা স্তৰত বিভাজন কৰিব পাৰি ❋**

১-আলমে আৰৱাহ(The World of Spirits), য'ত আমাৰ সৃষ্টিকৰ্তা,মালিক ও উপাস্য আল্লাহে আমাৰ পৰা তেওঁ ৰ'ব তথা স্ৰষ্টা হোৱাৰ প্ৰতি সাক্ষী তথা স্বীকাৰুক্তি (Confession)লৈছিল।

**(❋ "আলম(কাল বা যুগ)" সাধাৰণতে তিনি প্ৰকাৰৰ ❋**

১)আলমে আৰৱাহ।

২)আলমে দুনীয়া।

৩)আলমে বৰযাখ।

আনহাতে জন্মলাভৰ পূৰ্বৰ কালক 'আলমে আৰৱাহ',জন্ম-মৃত্যুৰ মাজৰ কালক 'আলমে দুনীয়া', আৰু মৃত্যুৰ পিছৰ কালক 'আলমে বৰযাখ' বোলা হয়।)

২-আলমে দুনীয়া(World)য'ত আমি জন্ম হৈছোঁ। য'ৰ পৰা সিমিত দিনকেইটা অতিবাহিত কৰি গুছি যাম।

৩-আলমে বাৰযাখ (Duration between Death and Resurrection) মৃত্যুৰ পিছৰ পৰা কিয়ামতৰ আৰম্ভনিৰ মাজৰ সময়খিনিক আলমে বৰযাখ বোলা হয়।

৪-হাচৰ বা বিচাৰৰ দিৱস(Judgment day) ।যেতিয়া আমি কবৰৰ পৰা উঠিম আৰু হাচৰৰ ময়দানত গৈ সু-কু কৰ্মৰ হিচাপ দিম।

৫-বিচাৰৰ পিছত আমাক আমাৰ কৰ্মৰ প্ৰতিফলৰূপত জান্নাত বা জাহান্নামত প্ৰস্থান কৰোৱা হ'ব।

সেয়েহে **আল্লাহৰ নবীয়ে ﷺ কৈছে:**

اَلدُّنْيَا مَزْرَعَةُ الْآخِرَةِ

দুনীয়া আখিৰতৰ বাবে খেতি।(যেনে কৰ্ম তেনে ফল)

(فیض القدیر،٤٤٠/٢،تحت الحدیث:٢٢٤٥)

Scanned with CamScanner

# আলমে বাৰযাখ কি

## ❀ মৃত্যুৰ সময়ত কি দেখা পোৱা যায় ◆

### ❀ আলমে বাৰযাখ ❀

দুনীয়া আৰু আখিৰাতৰ মাজৰ সময়খিনিক আলমে বৰযাখ বোলা হয় যথা কোৰআনত আহিছে:

وَمِن وَرَائِهِم بَرْزَخٌ إِلَىٰ يَوْمِ يُبْعَثُونَ ۖ

পুনৰুত্থানৰ দিৱসলৈকে সিহঁতৰ সন্মুখত থাকিব বাৰযাখ।

(ছুৰা আল মোমিনুন:১০০)

মৃত্যুৰ পিছৰ পৰা বিচাৰৰ দিৱসৰ আগলৈ সমস্ত জিন ও মানৱ এই আলম তথা কাল বৰযাখত থাকিব লাগিব।

(الفتوحات المكية"، الباب الثالث والستون في معرفة بقا. الناس--- الخ ج١، ص٦٨٦)

এই সময়খিনি কাৰোবাৰ বাবে খুব ধুনীয়া ও ৰঙীন হৈ পৰিব অথচ কিছুমানৰ বাবে আতি যন্ত্রনাদায়ক। যথা হাদিছত আহিছে:

إنّما القبر روضة من رياض الجنة أو حفرة من حفر النار

নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে কবৰ কাৰোবাৰ বাবে জান্নাতৰ বাগিচা হৈ পৰিব।আৰু কাৰোবাৰ বাবে জাহান্নামৰ অগ্নিপূৰ্ণ পুখুৰী।

(سنن الترمذی، کتاب صفة القيامة باب حديث: أكثروا من ذكر هادم اللذات، الحديث: ٢٤٦٨، ج٤، ص٢٠٩)

### ❀ আকিদাহ ❀

প্ৰত্যেক ব্যক্তিৰ যি নিৰ্দিষ্ট সময় আছে তাত কোনেও বৃদ্ধি অথবা হ্ৰাস কৰিব নোৱাৰিব। যথা আল্লাহে কৈছে:

وَلَن يُؤَخِّرَ اللَّهُ نَفْسًا إِذَا جَاءَ أَجَلُهَا ۚ وَاللَّهُ خَبِيرٌ بِمَا تَعْمَلُونَ

আৰু যেতিয়া কাৰোবাৰ নিৰ্দিষ্ট সময় উপস্থিত হ'ব,তেতিয়া আল্লাহে তাক কেতিয়াও ৰেহাই নিদিব। তোমালোকে যি আমল কৰা সেই সম্পৰ্কে আল্লাহ সবিশেষ অৱগত।

(ছুৰা আল মোনাফিকূন:১১)

فَإِذَا جَاءَ أَجَلُهُمْ لَا يَسْتَأْخِرُونَ سَاعَةً ۖ وَلَا يَسْتَقْدِمُونَ

এতেকে যেতিয়া সিহঁতৰ সময় আহি পৰে তেতিয়া সিহঁতে এটা মুহূৰ্ত্তও আগ-পিছ কৰিব নোৱাৰে।

(ছুৰা আল নাহল:৬১)

আনহাতে নিৰ্দিষ্ট সময় হ'লে হজৰত ইজৰাইল আলাইচ্ছালামে প্ৰাণ লৈ যাব। যথা কোৰআনত আহিছে:

۞ قُلْ يَتَوَفَّاكُم مَّلَكُ الْمَوْتِ الَّذِي وُكِّلَ بِكُمْ ثُمَّ إِلَىٰ رَبِّكُمْ تُرْجَعُونَ

(হে নবী তুমি)কোৱা, 'তোমালোকৰ বাবেই নিয়োগ কৰা হৈছে মৃত্যুৰ ফিৰিস্তা তেৱেঁই তোমালোকৰ প্ৰাণ হৰণ কৰিব। তাৰ পিছত তোমালোকৰ প্ৰতিপালকৰ ওচৰতেই তোমালোকক ওভোতাই নিয়া হ'ব'।(ছুৰা আল ছিজদাহ:১১)

লক্ষ্যনীয় যে(হাদিছৰ আধাৰত)সময় উকলি যোৱা ব্যক্তিজনৰ আশে-পাশে তথা চকুৰে ঢুকি পোৱা দূৰত্বলৈকে মাথোঁ সি ফিৰিস্তায়ে দেখা পাব। কিন্তু মুছলমানৰ আশে-পাশে ৰহমতৰ আৰু কাফিৰৰ চৌপাশে আজাবৰ ফিৰিস্তা থাকিব।

(المسند للإمام أحمد بن حنبل، الحديث:١٨٥٥٩، ج٦، ص٤١٣-٤١٤)

সেইসময়ত সকলোৱে সন্মূখত ইছলাৰ সত্যতা তথা আল্লাহৰ একত্বতা

Scanned with CamScanner

# ❋ মৃত্যুৰ পিছত ৰূহ ক'ত প্ৰস্থান কৰে ❋

সূৰ্যৰ দৰে পৰিস্কাৰ হৈ পৰিব। কিন্তু তেতিয়া ঈমান আনিলে গ্ৰহনযোগ্য নহ'ব। কাৰণ ঈমান অদৃশ্য ৰূপে অন্যৰহে আদেশ আছিল কিন্তু এতিয়া অদৃশ্য থকা নাই বৰঞ্চ প্ৰকাশ্য হৈ পৰিল।যথা কোৰআনত আহিছে:

فَلَمَّا رَأَوْا بَأْسَنَا قَالُوا آمَنَّا بِاللَّهِ وَحْدَهُ وَكَفَرْنَا بِمَا كُنَّا بِهِ مُشْرِكِينَ,فَلَمْ يَكُ يَنْفَعُهُمْ إِيمَانُهُمْ لَمَّا رَأَوْا بَأْسَنَا ۖ سُنَّتَ اللَّهِ الَّتِي قَدْ خَلَتْ فِي عِبَادِهِ ۖ وَخَسِرَ هُنَالِكَ الْكَافِرُونَ

তাৰ পিছত সিহঁতে যেতিয়া আমাৰ শাস্তি দেখা পালে তেতিয়া ক'লে, 'আমি একমাত্ৰ আল্লাহৰ ওপৰত ঈমান আনিলো আৰু আমি তেওঁৰ লগত যিবোৰক অংশী কৰিছিলো সেইবোৰক প্ৰত্যাখ্যান কৰিলো'। কিন্তু আমাৰ শাস্তি দেখা পোৱাৰ পিছত সিহঁতে লৈ অহা ঈমান সিহঁতৰ প্ৰতি উপকৃত নহ'ল। আল্লাহৰ এই বিধান পূৰ্বৰে পৰা তেওঁৰ বান্দাসকলৰ মাজত চলি আহিছে আৰু তেতিয়াই কাফিৰসকল ক্ষতিগ্ৰস্ত হৈছে।(ছুৰা আল গ্বাফীৰ:৮৪)

## ❋ মৃত্যুৰ পিছতো ৰূহ(আত্মা)আৰু মানৱ শৰীৰৰ মাজত সম্পৰ্ক থাকে ❋

মৃত্যুৰ পিছত যদিও ৰূহ শৰীৰৰ পৰা এলাগী হয়,কিন্তু শৰীৰৰ লগত যি ঘটে ৰুহে নিশ্চিত ভাৱে অনুভৱ কৰে আৰু অৱগত হয়। যেনেদৰে জীৱিত অৱস্থাত অৱগত ও অনুভৱ কৰে। অথচ মৃত্যুৰ পিছত ইয়াৰ পৰিমাণ বেছি বাঢ়ি যায়।আনহাতে আল্লাহৰ নবী ছাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছেঃ-

انه ليسمع قرع نعالهم،،،،

মৃত ব্যক্তিয়ে জীৱিত ব্যক্তিৰ খোজৰ শব্দও শুনে।

(مشكاة الشريف،١،٢٤/شرح عقائد النفسيه١/منح الروض الأزهر"،ص١٠٠-١٠١)

## ❋ মৃত্যুৰ পিছত মুছলমানৰ ৰূহ বা আত্মা ক'ত থাকে ❋

মৃত্যুৰ পিছত মুছলমানৰ ৰূহ তেওঁৰ কৃতকাৰ্য অনুসৰি ভিন্ন ঠাইত ৰখা হয়।◆ কিছুমানৰ ৰূহ কবৰতেই থাকে।

যেনেদৰে হাদিছত আহিছে :

إنّ الرجل ليعرض عليه مقعده من الجنة والنار غدوة وعشية في قبره

নবী কৰীম স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে: কবৰস্থ ব্যক্তিক তাৰ কবৰত পুৱা-গধূলি তাৰ ঠিকনা জান্নাত অথবা জাহান্নাম দেখুওৱা হ'ব।

("شرح الصدور"،ص٢٦٢-٢٦٣)

◆ আকৌ কিছুমানৰ ৰূহ যমযম কুৱাত থাকে। এনেদৰেই হাদিছত আহিছে:

عن علي قال:أرواح المؤمنين في بئر زمزم

হজৰত আলী ৰাদ্বীয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছে:কিছু মোমিনৰ ৰূহ যমযম কুৱাত অৱস্থান কৰে।

('شرح الصدور"،ص٢٢٧)

◆ আনহাতে কিছুমানৰ ৰূহ আচমান আৰু জমিনৰ মাজত থাকে।নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:

إنّ الروح إذا خرج من الجسد كان بين السماء والأرض حتى يرجع إلى جسده

ৰূহ পুৰণ শৰীৰৰলৈ ঘূৰাই নিদিয়ালৈকে আচমান আৰু জমিনৰ মাজত অৱস্থান কৰে।

(شرح الصدور"،ص٢٢٦)

◆ কিছুলোকৰ ৰূহ প্ৰথম,দ্বিতীয় আৰু সপ্তম আচমান পৰ্যন্তত থাকে। এনেকুৱাকৈয়ে হাদিছত আহিছে:

Scanned with CamScanner

# ❀ মৃত্যুৰ পিছত মুছলমানৰ ৰূহ ক'ত থাকে ◆ ৫

❀ মৃত্যুৰ পিছত মুছলমানৰ ৰূহ ক'ত থাকে ❀

عن ابن عمر رضي الله عنهما أنه عزى أسماء بابنها عبد الله بن الزبير و جثته مصلوبة، فقال: (لا تحزني فإن الأرواح عند الله في السماء، و إنما هذه جثة) - و في رواية: عن أبي هريرة رضي الله تعالى عنه قال: قال رسول الله صلى الله عليه و سلم:

(إن أرواح المؤمنين في السماء السابعة ينظرون إلى منازلهم في الجنة)

এক বৰ্ণনা অনুসৰি আচমানত কিছু ৰূহ অৱস্থান কৰে। তাৰোপৰি আন কিছু মোমিনৰ ৰূহ আকৌ সপ্তম আচমানত অৱস্থান কৰি জান্নাতৰ থকা নিজৰ বাসস্থানলৈ চকু দি থাকে।

("شرح الصدور"، ص٢٢٥)

◆ অইন কিছুসংখ্যকৰ ৰূহ আচমানতকৈও ওপৰত থাকিব।

◆ আৰু কিছুমানৰ ৰূহ আৰচৰ ছাঁত প্ৰজ্বলিত আকাশবাতী(এক প্ৰকাৰৰ Lantern,বন্তি)ত থাকিব। যিদৰে নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:

عن ابن عباس قال: قال رسول الله صلى الله عليه و سلم: لما أصيب إخوانكم بأحد جعل الله أرواحهم في جوف طير خضر ترد أنهار الجنة تأكل من ثمارها و تأوي إلى قناديل من ذهب معلقة في ظل العرش

অৰ্থাৎ কিছুমোমিনৰ ৰূহ আল্লাহে সেউজীয়া পখীৰ ভিতৰত ৰাখে যিটো জান্নাতৰ নদীৰ আশে-পাশে বহা উঠা কৰে।জান্নাতৰ ফল খাই আৰু আৰচৰ ছাঁয়াত প্ৰজ্বলিত চাকিত থাকে।

(سنن أبي داود، كتاب الجهاد، باب في فضل الشهادة، الحديث: ٢٥٢٠، ج٣، ص٢٢)

◆ অইন কিছুলোকৰ ৰূহ আলা ইল্লিয়্যীন(জান্নাতৰ অত্যন্ত উচ্চ স্থানসমূহ)ত থাকে। এনেকুৱা ভাৱেই হাদিছত উল্লেখিত:

(الرفيق الأعلى)، الصحيح الذي عليه الجمهور أن المراد بالرفيق الأعلى الأنبياء الساكنون أعلى عليين

অৰ্থাৎ আম্বিয়া সকলৰ ৰূহ আলা ইল্লিয়্যীনত থাকে।

("شرح مسلم" للنووي، ج٣، ص٢٨٦)

**❀ কিন্তু ৰূহ য'তেই নাথাকক কিয় তাৰ সম্পৰ্ক নিজ শৰীৰৰ লগত দস্তৰমত থাকে। ❀**

যদি কোনোবা কবৰত আহে সি আহোতেই তাক চিনি পায়।তাৰ কথা শুনা পায়,দেখে। যথা নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:

ما من أحد يمر بقبر أخيه المؤمن كان يعرفه في الدنيا فيسلم عليه إلا عرفه ورد عليه السلام

অৰ্থাৎ মোমিনৰ কবৰৰ ওচৰেদি যি যায় তেওঁক চিনি পায় যেনেদৰে জীৱিত অৱস্থাত চিনি পাইছিল। ছালাম দিলে উত্তৰ দিয়ে।

(الفتاوى الحديثية، مطلب: أرواح الأنبياء في أعلى عليين و أرواح الشهداء... إلخ، ص١٤-١٥)

অথচ ৰূহে দেখা,শুনা পোৱাটো একমাত্ৰ কবৰৰ লগতে সিমিত নহয়। ইয়াৰ উদাহৰণ হাদিছত আহিছে যে ৰূহে পিঞ্জৰাৱদ্ধ পখীক মুক্ত কৰি দিয়াৰ দৰে মানুহৰ মৃত্যুৰ পিছত মুক্তিলাভ কৰে।

شرح الصدور"، باب فضل الموت، ص١٣-

হাদিছত আহিছে

إِذَا مَاتَ الْمُؤْمِنُ يُخَلَّى سَرْبُهُ يَسْرَحُ حَيْثُ شَاءَ-

যেতিয়া মোমিনৰ মৃত্যু হয় তেতিয়া তাৰ ৰূহ এৰি দিয়া হয় যে য'ত ইচ্ছা যাব পাৰে।

المصنف" لابن أبي شيبة، كتاب الزهد، كلام عبد الله بن عمرو، الحديث: ١٠، ج٨، ص١٨٩-

Scanned with CamScanner

# ❀ মৃত্যুৰ পিছত কাফিৰৰ ৰূহ ক'ত থাকে ◆

## ❀ মৃত্যুৰ পিছত কাফিৰৰ ৰূহ ক'ত থাকে ❀

### ❀ কাফিৰৰ ৰূহ ক'ত থাকে ❀

◆ সিহঁতৰ কিছুমানৰ ৰূহ শ্মশান(হিন্দুৰ মৰা মানুহ জ্বলোৱা ঠাই)তে থাকে।

◆ আকৌ কিছুমানৰ নাপাক ৰূহ 'চাহে বৰহুত'(য়ামান দেশৰ এটা নলা)ত। এনেদৰেই হাদিছত আহিছে:

إنّ أرواح الكفار تجمع ببرهوت سبخة بحضرموت،

অৰ্থাৎ কাফিৰৰ ৰূহ বৰহুত নামি নলাত থাকে।

شرح الصدور"، ص٢٣٦-٢٣٧-

◆ আৰু কিছু ৰূহ সপ্তম জমিনত থাকে।যথা হাদিছতো এনেদৰেই আছে:

عن ابن عمرو قال: أرواح الكافرين في الأرض السابعة

- "شرح الصدور"، ص٢٣٤

◆ কিছুসংখ্যকৰ ৰূহ তাতকৈয়ো তল 'ছিজ্জিন(জাহান্নামৰ এখন ভৈয়াম)' ত থাকে।এই বিষয়ে নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামক সোধাত তেওঁ কৈছে:

عن ضِمرة بن حبيب مرسلا قال: سئل النبي صلى الله عليه وسلم عن أرواح الكفار؟ قال: ((محبوسة في سجين))-

কাফিৰৰ ৰূহ ছিজ্জিনত আবদ্ধ হৈ থাকে।-"شرح الصدور"، ص٢٣٢

◆ **কিন্তু য'তেই নাথাকক শ্মশানত অহা সকলোকে চিনি পায়।দেখা পায়,শুনে।**

**কিন্তু আবদ্ধ তথা কয়দি ৰূপত ৰখাৰ বাবে ক'তো যোৱাৰ অনুমতি নহ'ব ◆**

### ❀ আকিদাহ ❀

এই বিশ্বাস ৰখা যে মৃত্যুৰ পিছত ৰূহ অন্যৰ শৰীৰত প্ৰৱেশ কৰে যথা জীৱ-জন্তু হওঁক অথবা মানৱৰ। যাক 'তানাছুখ' কোৱা হয়। চূড়ান্ত ভাৱে অসত্য আৰু এনেকুৱা বিশ্বাস ৰখা কুফুৰ।

النبراس"، باب البعث حق، ص٢١٣/الحديقة الندية" شرح "الطريقة المحمدية"، ج١، ص٣٠٤-٣٠٥

### ❀ আকিদাহ ❀

মৃত্যু মানে ৰূহ শৰীৰৰ পৰা পৃথক হৈ যোৱা। কিন্তু ৰূহৰ মৃত্যু নঘটে। যিয়ে ৰূহৰ প্ৰতি মৃত্যুৰ বিশ্বাস ৰাখে সি বদ মজহব।

شرح الصدور"، باب فضل الموت، ص١٢

### ❀ আকিদাহ ❀

মৃত ব্যক্তিয়ে কথা কয় কিন্তু সিহঁতৰ কথোপকথন সাধাৰণ মানৱ,জিন আৰু মানুহৰ বাহিৰে বাকি সকলো জীৱ-জন্তুৱে শুনা পায়।

صحيح البخاري"،كتاب الجنائز، باب كلام الميت على الجنازة، الحديث: ١٣٨٠،ج١، ص٤٦٥-/شرح الصدور"، باب معرفة الميت من يغسله، ص٩٦

### ❀ আকিদাহ ❀

যেতিয়া মৃতকক কবৰস্থ কৰা হয় তেতিয়া তাক কবৰে চেপি ধৰে।

যদি মুছলমান হয় তেন্তে মাতৃয়ে সন্তানক মৰমত জোৰকৈ আকোঁৱালি লোৱাৰ দৰে ধৰে।

شرح الصدور"، ذكر تخفيف ضمة القبر على المؤمن، ص٢٤٥:

আৰু কাফিৰৰ হ'লে এনেকুৱা ভাৱে চেপি তথা হেঁচি দিয়ে যে এফালৰ কামিহাড় আনফালে ওলাই যায়।

المسند" للإمام أحمد بن حنبل، الحديث: ١٢٢٧٣،ج٤، ص٢٥٢- سنن الترمذي"، كتاب صفة القيامة، الحديث: ٢٤٦٨،ج٤، ص٢٠٨-

### ❀ আকিদাহ ❀

যেতিয়া দফন কৰা লোকসকল উভতি আহে তেতিয়া মৃত ব্যক্তিয়ে সিহঁতৰ খোজৰ শব্দ শুনে। যথা নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:

عن أنس بن مالك رضي الله عنه، أن رسول الله صلى الله عليه وسلم

Scanned with CamScanner

# ❀ মৃত্যুৰ পিছত ফিৰিস্তা কেনেকুৱা ৰূপত আহিব ◆ ৭

## ❀ মৃত্যুৰ পিছত কি হ'ব,কবৰত ফিৰিস্তাৰ ৰূপ কেনেকুৱা হ'ব ? ❀

قال إنّ العبد إذا وضع في قبره وتولّى عنه أصحابه، وإنّه ليسمع قرع نعالهم

যেতিয়া বান্দাক কবৰস্থ কৰি লোকসকল উভতে তেতিয়া মৃত ব্যক্তিয়ে সিহঁতৰ ভৰিৰ খোজৰ শব্দ শুনে।

"صحيح البخاري"، كتاب الجنائز، باب ما جاء في عذاب القبر، الحديث: ١٣٧٤، ج١، ص٤٦٣-

**◆ দফনৰ পিছতেই দুটা ফিৰিস্তাই নিজৰ দাঁতেৰে মাটি ফালি আহি উপস্থিত হয়। ◆**

إثبات عذاب القبر" للبيهقي، الحديث: ٨٦، ج١، ص٩٩-

◆ দুয়োজন ফিৰিস্তা অতি ভয়াবহ আৰু ভয়ানক ৰূপত আছে।

إحياء العلوم"، ج١، ص١٢٧

◆ তেওঁলোকৰ শৰীৰ ক'লা ধৰণৰ আৰু চকু নিলা ও ক'লা বৰণীয়া।

شرح الصدور"، ص١٢٢، سنن الترمذي"، باب ما جاء في عذاب القبر، ج٢، ص٣٣٧، الحديث: ١٠٧٢

◆ তেওঁলোক দেগ(Pot)ৰ সমতুল্য ও অগ্নিপূৰ্ণ।আৰু দাঁত কেইবাহাতৰ সমান।

المعجم الأوسط" للطبراني"، الحديث: ٤٦٢٩، ج٣، ص٢٩٢-

◆ সেই দাঁতৰে জমিন ফালি আহিব।তেওঁবোৰৰ আতংকীত চুলি মূৰৰ পৰা ভৰি পৰ্যন্ত হ'ব।

شرح الصدور"، ص١٢٧-

◆ তাৰ মাজৰ পৰা এজনক মুনকিৰ আনজনক নাকিৰ কোৱা হয়।

سنن الترمذي"، باب ما جاء في عذاب القبر، الحديث: ١٠٧٢، ج٢، ص٣٣٧-

◆ মৃত ব্যক্তিক অতি কঠিন ও আতংকীত মাতেৰে ধমক দি উঠাই প্ৰশ্ন কৰিব।

شرح الصدور"، ص١٢٢-

### ❀ কবৰৰ প্ৰশ্ন ❀

**বোখাৰী শ্বৰীফত আহিছে:**

প্ৰথম প্ৰশ্ন "তোমাৰ প্ৰতিপালক তথা স্ৰষ্টা কোন ?"
দ্বিতীয় প্ৰশ্ন "তোমাৰ ধৰ্ম কি?"
তৃতীয় প্ৰশ্ন "এইগৰাকী ব্যক্তিৰ বিষয়ে কি কৈছিলা ?"

◆ যদি মৃত ব্যক্তি মুছলমান হয় তেন্তে প্ৰথম প্ৰশ্নৰ উত্তৰত ক'ব "মোৰ প্ৰতি পালক আল্লাহ"। দ্বিতীয় প্ৰশ্নৰ উত্তৰত ক'ব "মোৰ ধৰ্ম ইছলাম"। তৃতীয় প্ৰশ্নৰ উত্তৰত ক'ব "এওঁ ৰছুলুল্লাহ ছাল্লাল্লাহু আলাইহি ৱাছাল্লাম"। ফিৰিস্তা সকলে সুধিব তোমাক এইবোৰ কোনে কৈছে ? সি ক'ব মই আল্লাহৰ কিতাপ পঢ়িছো,তাৰ প্ৰতি ঈমান আনিছোঁ আৰু স্বীকৃতি দিছোঁ।

صحيح البخاري"، كتاب الجنائز، باب ما جاء في عذاب القبر، الحديث: ١٣٧٤، ج١، ص٤٦٣-

অইন কিছু হাদিছত আহিছে:যে ফিৰিস্তাই এনে উত্তৰ পাই ক'ব তুমি এনেকুৱা উত্তৰ দিবা বুলি আমি জানিছিলোৱেই।

(سنن الترمذي" كتاب الجنائز، باب ما جاء في عذاب القبر، الحديث: ١٠٧٢، ج٢، ص٣٣٧)

◆ সেই সময়ত আল্লাহৰ পক্ষৰ পৰা অদৃশ্য ৰূপত এটি শব্দ আহিব। য'ত কোৱা হ'ব যে মোৰ বান্দাই সঠিক উত্তৰ দিছে।তাৰ বাবে জান্নাতি বিছনা পাৰি দিয়া,জান্নাতি পোছাক পৰিধান কৰোৱা। আৰু তাৰ প্ৰতি জান্নাতৰ এখন দৰ্জা খুলি দিয়া। জান্নাতৰ মনোমোহা বতাহ আৰু সুগন্ধ আহি থাকিব। আৰু চকুৰে ঢুকি পোৱা দূৰত্বলৈকে তেওঁৰ কবৰ বহলাই দিয়া হ'ব।

(المسند" للإمام أحمد بن حنبل، الحديث: ١٨٥٥٩، ج٦، ص٤١٣-٤١٤)

আৰু তেওঁক কোৱা হ'ব শুই যোৱা যেনেদৰে ন-কন্যা শোৱে। এনেদৰেই হাদিছত আহিছে।

صحيح البخاري"، كتاب الجنائز، باب ما جاء في عذاب القبر، الحديث: ١٣٧٤، ج١، ص٤٦٣-

Scanned with CamScanner

# ❀ কবৰস্থ ব্যক্তি মাটিত মিহলি যোৱাৰ পিছত কেনেকৈ পুনৰ্জীৱিত হ'ব ◆

## ❀ কবৰত মুনাফিকে কেনেকৈ উত্তৰ দিব ❀

◆ আনহাতে গুণাহগাৰ হ'লে কবৰত তাৰ গুণাহৰ সমতুল্য শাস্তি দিয়া হ'ব।

شرح العقائد النسفية''، ص۹۹

◆ তাৰ পিছত তাৰ পীৰ সকলৰ বা মযহবৰ ঈমামৰ অথবা আউলিয়া সকলৰ চাফাআত (চুপাৰিছ)ৰ বাবে বা মাত্ৰ আল্লাহৰ ৰহমতত যেতিয়া স্বয়ং তেওঁ ইচ্ছা কৰিব,ৰেহাই পাব।

الميزان الكبرى''،ج۱، ص۹ مقدمة الكتاب

◆ আনহাতে কিছুমানে কৈছে: শুক্ৰবাৰৰ নিশা ও দিনত গুণাহগাৰ মোমিনৰ কবৰৰ পৰা আজাব উঠাই লোৱা হয়।(আল্লাহ উত্তম জ্ঞানী)

منح الروض الأزهر شرح فقه الأكبر''، ص۱۰۲

◆ হয়! এই কথা হাদিছৰ দ্বাৰা প্ৰমাণিত যে যি ব্যক্তি শুক্ৰবাৰৰ দিনত বা ৰাতি (বৃহস্পতিবাৰে দিনগৈ ৰাতি)অথবা ৰমজান মাহত মৃত্যু হ'ব তেওঁ প্ৰশ্ন তথা কবৰৰ আজাবৰ পৰা বাচি থাকিব। এনেদৰেই হাদিছত আহিছে:

ما من مسلم يموت يوم الجمعة أو ليلة الجمعة إلا وقاه الله فتنة القبر

অৰ্থাৎ জুমআৰ ৰাতি আৰু দিনত মৃত্যু হোৱাজনৰ প্ৰতি কবৰৰ আজাব দিয়া নহয়।

''سنن الترمذى''،كتاب الجنائز، باب ما جاء فيمن مات يوم الجمعة، الحديث:۱۰۷٦،ج۲، ص۳۳۹

## ❀ নবীৰ বে আদবি কৰোঁতা সকলে কবৰৰ উত্তৰত কি ক'ব ❀

◆ আৰু যদি মৃত ব্যক্তিয়ে নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ বিন্দু পৰিমাণো বে আদবি কৰিছিল বা গোস্তাখী কৰিছিল, তেন্তে তেনেধৰণৰ মুনাফিকে কবৰত কৰা প্ৰশ্নৰ উত্তৰত ক'ব; "আফচোছ মইটো একোৱেই নাজানো! মানুহৰ মুখত শুনিছিলো,নিজেও কৈছিলোঁ"। সেই সময়ত আল্লাহৰ পক্ষৰ পৰা অদৃশ্য ৰূপত এটি শব্দ আহিব। য'ত কোৱা হ'ব, ই মিছলীয়া।তাৰ বাবে অগ্নিপূৰ্ণ বিছনা পাৰি দিয়া,জুইৰ পোছাক পৰিধান কৰোৱা। আৰু তাৰ প্ৰতি জাহান্নামৰ এখন দৰ্জা খুলি দিয়া। তাৰ প্ৰতি জাহান্নামৰ ভয়ানক গৰম বতাহ আহিব। আৰু তাক শাস্তি দিবলৈ দুটা ফিৰিস্তা নিয়োগ কৰা হ'ব।যিকেইজন অন্ধ,কলা তথা কানেৰে নুশুনা হ'ব। তেওঁলোকৰ হাতত লোহাৰ মজবুত হাতুৰী থাকিব। যদি সেয়াৰে পাহাৰত মৰা হয় তেন্তে পাহাৰ চূৰ্ন-বিচূৰ্ন হৈ পৰিব। সেই হাতুৰীৰে তাক মাৰি থকা হ'ব।

سنن أبي داود''،كتاب السنة، باب فى المسألة فى القبر وعذاب القبر، الحديث:٤٧٥٣،ج٤، ص٣١٦-

আনহাতে সাপ-বিচ্ছুৱে কষ্ট দি থাকিব।

صحيح ابن حبان''،كتاب الجنائز--- الخ، فصل فى أحوال الميت فى قبره، الحديث: ٣١١٢،ج٤، ص٥٠-

## ❀ আকিদাহ ❀

◆ কবৰৰ আজাব সত্য। যথা কোৰআনত আহিছে:

اَلنَّارُ يُعْرَضُوْنَ عَلَيْهَا غُدُوًّا وَّعَشِيًّا ۚ وَيَوْمَ تَقُوْمُ السَّاعَةُ اَدْخِلُوْا اٰلَ فِرْعَوْنَ اَشَدَّ الْعَذَابِ

পুৱা-গধূলি সিহঁতক তাত উপস্থিত কৰা হয় আৰু যিদিনা কিয়ামত সংঘটিত হ'ব সেইদিনা কোৱা হ'ব, 'ফিৰআউন গোষ্ঠীক কঠোৰ শাস্তিত নিক্ষেপ কৰা'। (ছুৰা আল গ্বাফীৰ:৪৬) তদ্ৰূপ কবৰত আল্লাহৰ ৰহমতৰ উপহাৰো সত্য।

شرح العقائد النسفية''، مبحث عذاب القبر، ص٩٩

### ◆ শৰীৰ মাটিত মিহলি যোৱাৰ পিছত কেনেকৈ পুনৰ্জীৱিত হ'ব ◆

শৰীৰ যদিও গলি,পচি বা জ্বলি-পুৰি যায় কিন্তু তাৰ আচল অংগ আল্লাহে কিয়ামত পৰ্যন্ত বাকি ৰাখে।

Scanned with CamScanner

# ❀ দফন নকৰা 'যেনে জন্তুৱে খাই পেলালে' তেন্তে এনে ব্যক্তিক কবৰৰ প্ৰশ্ন ক'ত কৰা হয় ?◆

## ❀ কোনটো অংগৰ পৰা আল্লাহে পুনৰ্জীৱিত কৰিব ❀

আৰু তাৰ প্ৰতি আজাব ও শাস্তি নিক্ষেপ কৰা হয়। সেই আচল অংগ সমূহৰ পৰাই কিয়ামতৰ দিনা আল্লাহে পুনৰ্জীৱিত কৰিব। আৰু সেয়া কামিহাড়ৰ কিছু অতি ক্ষুদ্ৰ ও সৰু অংগ,যাক "আজবুয্যাম্ব-عَجْبُ الذَّنب"কোৱা হয়। এয়া কোনো অনুবীক্ষণ বা ultra microscope ৰ দ্বাৰাও দেখা সম্ভৱ নহয়। জুয়েও তাক জ্বলাব নোৱাৰে তদ্ৰূপ মাটিয়েও তাক খাব নোৱাৰে।তাৰ পৰাই পুনৰ শৰীৰৰ সৃষ্টি কৰা হ'ব। এতেকে কিয়ামতৰ দিনা উক্ত শৰীৰতেই ৰূহ উভতাই দিয়া হ'ব। যদিও শৰীৰৰ অংগ মাটিয়ে খাই, জ্বলি-পুৰি ছাই হৈ যায় কিন্তু আল্লাহে সেয়া উভতাই আনি আচল অংগৰ লগত সংযোগ কৰি পূৰ্বৰ ৰূহ পুনৰাই দিব। ইয়াৰ নামেই হাচৰ অৰ্থাৎ সঞ্চয়।

صحیح البخاری''، کتاب التفسیر، باب ونفخ فی الصور--- الخ، الحدیث: ٤٨١٤، ج٣، ص٣١٦ - وفی ''فتح الباری''، کتاب التفسیر، ج٨، ص٤٧٥ - ٤٧٦، تحت الحدیث: (قوله: ''ویبلی کل شیء من الانسان الا عجب ذنبه، فیه یرکب الخلق'')

## ❀ কবৰত শাস্তি ও আনন্দৰ অমান্য যিজনে কৰিব সি পথভ্ৰষ্ট বুলি বিবেচিত হ'ব ❀

الحدیقۃ الندیۃ''، ج١، ص٣٠٢

## ❀ আকিদাহ ❀

মৃত ব্যক্তি যদি কবৰস্থ নহয় বা দফন কৰা নহয় তেন্তে য'ত পৰি থাকিব বা য'ত পেলাই দিয়া হ'ব অৰ্থাৎ য'তেই নাথাকক কিয় তাতেই প্ৰশ্ন কৰা হ'ব আৰু।তাতেই আজাব ও আনন্দ ভোগ কৰিব। এতেকে যদি কাৰোবাক বাঘে খালে তেন্তে তাক প্ৰশ্ন বাঘৰ পেটতেই কৰা হ'ব। আৰু আজাব ও আনন্দ তাতেই ভোগ কৰিব।

الحدیقۃ الندیۃ''، ج١، ص٢٦٦-٢٦٧/شرح العقائد النسفیۃ''، مبحث عذاب القبر والبعث، ص١٠١

## ❀ মাটিয়ে তেওঁলোকক নাখায় ❀

নবী,অলী,আলীম,ছহীদ ও হাফিজ সকল; "যিয়ে কোৰআনৰ অনুসৰণ ও তাৰ ওপৰত আমোল কৰে,সেই ব্যক্তি যিজন আল্লাহ ও ৰছুলৰ প্ৰকৃত প্ৰেমত মগ্ন হৈ থাকে,আৰু সেই শৰীৰ যিয়ে কেতিয়াও আল্লাহৰ অবাধ্য হোৱা নাই,তদ্ৰূপ সেইজন যিয়ে নিজৰ সমস্ত সময় দুৰূদ পঢ়াত অতিবাহিত কৰে",এওঁলোকৰ শৰীৰক মাটিয়ে ভক্ষণ কৰিব নোৱাৰে।

القرآن، شرح الصدور''، باب نتن المیت وبلاء جسده--- الخ، ص٣١٧-٣١٨، سنن الترمذی''، کتاب صفۃ القیامۃ والرقائق والورع--- الخ، الحدیث: ٢٤٦٨، ج٤، ص٢٠٨

## ❀ জৰুৰী কথা ❀

যিজনে এনে বিশ্বাস ৰাখিব যে নবী সকল(আলাইহিমুচ্ছালাম)মৃত্যু হৈ মাটিৰ লগত মিশ্ৰিত হৈ গ'ল। তেন্তে সিহঁত পথভ্ৰষ্ট,বদ দ্বীন,খবিছ আৰু অসন্মানকাৰী বুলি বিবেচিত হ'ব।

(بہار شریعت، حصہ اول، جلد١، صفحہ٩٨تا١١٥)

## ❀ টোপনি আৰু মৃত্যুৰ মাজত পাৰ্থক্য ❀

আল্লাহ পাকে ৰাতিটো বিশ্ৰামৰ বাবে সৃষ্টি কৰিছে,যাৰ বিষয়ে কেইবাটাও আয়াতত উল্লেখ আছে। ইছলামে নিদ্ৰাক মৃত্যুৰ এক প্ৰকাৰ বুলি পৰিচয় কৰাইছে। যথা নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:النوم أخو الموت টোপনি মৃত্যুৰ সহোদৰ বা ভাই। যথা আল্লাহ পাকে পবিত্ৰ কোৰআনত কৈছে:

وَهُوَ الَّذِي يَتَوَفَّاكُم بِاللَّيْلِ وَيَعْلَمُ مَا جَرَحْتُم بِالنَّهَارِ ثُمَّ يَبْعَثُكُمْ فِيهِ لِيُقْضَىٰ أَجَلٌ مُّسَمًّى

তেৱেঁই ৰাতিত তোমালোকৰ মৃত্যু ঘটায় আৰু দিনত তোমালোকে

Scanned with CamScanner

# ◆ টোপনিৰ নিৰ্দিষ্ট সময়ৰ মূৰত আল্লাহে কিছুমানৰ ৰূহ এৰি দিয়ে ◆

## ❀ নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ শোৱা পদ্ধতি ও দোআ ◆

যি উপাৰ্জন কৰা সেয়া তেওঁ জানে। তাৰ পিছত নিৰ্ধাৰিত সময় পূৰ্ণ কৰাৰ কাৰণে দিনত তেওঁ তোমালোকক আকৌ জীৱিত কৰে। (ছুৰা আল আনআম:৬০)আকৌ আন এক আয়াতত কৈছে:

ٱللَّهُ يَتَوَفَّى ٱلْأَنفُسَ حِينَ مَوْتِهَا وَٱلَّتِى لَمْ تَمُتْ فِى مَنَامِهَا ۖ فَيُمْسِكُ ٱلَّتِى قَضَىٰ عَلَيْهَا ٱلْمَوْتَ وَيُرْسِلُ ٱلْأُخْرَىٰٓ إِلَىٰٓ أَجَلٍ مُّسَمًّى ۚ إِنَّ فِى ذَٰلِكَ لَءَايَٰتٍ لِّقَوْمٍ يَتَفَكَّرُونَ

আল্লাহেই জীৱসমূহৰ প্ৰাণ হৰণ কৰে সিহঁতৰ মৃত্যুৰ সময়ত আৰু যিসকলে মৃত্যুবৰণ কৰা নাই সিহঁতৰো (প্ৰাণ হৰণ কৰে) টোপনি অৱস্থাত। তাৰ পিছত তেওঁ যাৰ বাবে মৃত্যুৰ সিদ্ধান্ত কৰে তাৰ প্ৰাণ তেওঁ ৰাখি দিয়ে আৰু আনবোৰক এৰি দিয়ে,এটা নিৰ্দিষ্ট সময়লৈকে। নিশ্চয় ইয়াত নিদৰ্শন আছে এনে সম্প্ৰদায়ৰ বাবে,যিসকলে গৱেষণা কৰে। (ছুৰা আল ঝুমাৰ:৪২)

◆ কিন্তু টোপনি আৰু মৃত্যু দুয়োটাৰ মাজত পাৰ্থক্য আছে। টোপনিত শৰীৰৰ পৰা ৰূহৰ সম্পৰ্ক সন্তেকিয়া ভাৱে বিলম্ব হয়। আৰু মৃত্যু অৱস্থাত চিৰকালীন ভাৱে ৰূহ গুচি যায়।

যদিও অধিকাংশ লোকেই নিদ্ৰাৰ পিছত এক নতুন জীৱনৰ পুনৰাস্তনি কৰে কিন্তু কিছুসংখ্যক নিদ্ৰা অৱস্থাতেই মৃত্যুবৰণ কৰে। এইকথাই উপৰোক্ত আয়াতেৰে আল্লাহে বুজাইছে যে যাক মৃত্যু দিয়া হ'ব তাৰ ৰূহ ৰাখি লয়। আৰু বাকিবোৰৰ ৰূহ এটা নিৰ্দিষ্ট সময়ৰ টোপনিৰ পিছত ঘূৰাই দিয়ে। এতেকে নিদ্ৰা সন্তেকিয়া মৃত্যু অথচ ওফাত(ইন্তেকাল) প্ৰকৃততে মৃত্যু। যিহেতু মুছলমান সকলে এই কল্পনাতেই শোৱে যে টোপনিৰ পিছত সজাগো হ'ব পাৰে অথবা মৃত্যুও ঘটিব পাৰে,সেয়েহে নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে শিকোৱা দোআ পঢ়ি নিজকে আল্লাহৰ আশ্ৰয়ত দি এই দোআ পঢ়ে।

اَللَّهُمَّ بِاسْمِكَ أَمُوتُ وَأَحْيَا

(আল্লাহু বিছমিকা আমুতু ওৱা আহয়া)

যথা হজৰত হুযাইফা ৰাদ্বিয়াল্লাহু আনহুই কৈছে,যেতিয়া ৰছুলুল্লাহ ছাল্লাল্লাহু আলাইহি ৱাছাল্লাম শুবলৈ বিছনাত আহে তেতিয়া তেওঁ নিজৰ(সোঁ)হাতৰ তলি তেওঁৰ পবিত্ৰ (সোঁ)গালৰ তলত ৰাখি লয়। তাৰ পিছত এই দোআ পঢ়ে: "আল্লাহু বিছমিকা আমুতু ওৱা আহয়া"(অৰ্থ:-ইয়া আল্লাহ! আমি তোমাৰ নামতেই মৃত্যু আৰু জীৱিত হওঁ) আৰু যেতিয়া সজাগ হয়,এই দোআ পঢ়ে:"আলহামদু লিল্লাহিল্লাযী আহয়া'না,বাঅ'দামা আমাতানা ৱা ইলাইহিন্নুশূৰ" (অৰ্থ :-কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ সেইজনৰ যিয়ে আমাক মৃত্যুৰ পিছত জীৱিত কৰিলে। আৰু তেওঁৰেইফালে(কিয়ামতৰ দিনা)উভতিব লাগিব।

(بخاری، کتاب الدعوات، باب وضع الید الیمنے تحت الخد الأیمن، ٤/١٩٢، حدیث-٤٣١٤)

Scanned with CamScanner

# ◆ টোপনিৰ পৰা উঠি কি পঢ়িব লাগে ◆ ১১

## ❀ টোপনি অৱস্থাত ৰূহ বা আত্মা ক'ত থাকে ❀

তদ্ৰূপ হজৰত জাবিৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত আল্লাহৰ নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে: যেতিয়া তোমালোকৰ মাজৰ কোনোবা নিজৰ বিছনাত শুব যায় তেতিয়া বিছনাখন তিনিবাৰ জোঁকাৰি লোৱা। কাৰণ বিছনাত কি বস্তু আহিছে সি নাজানে। তাৰ পিছত শোৱাৰ সময়ত এই দোআ পঢ়া "বিছমিকা ৰব্বি ৱাদ্বাঅ'তু জাম্বী ওৱা বিকা আৰফাউহু,ফা ইন আমছাকতা নাফছী ফাৰহাম্হা,ওৱা ইন আৰছালতাহা ফাহফাযহা বিমা তাহফাযু বিহি ইবাদাকাস্বালিহীন"।(অৰ্থ: এ-মোৰ স্ৰষ্টা! মই তোমাৰ নামত মোৰ ককাল ৰাখিলোঁ। আৰু তোমাৰেই নামত উঠাম।যদি তুমি মোৰ প্ৰাণ ৰাখি লোৱা তেন্তে তাৰ প্ৰতি ৰহম কৰিবা। আৰু যদি এৰি দিয়া তেন্তে তুমি তোমাৰ প্ৰিয় লোকসকলক আশ্ৰয়ত ৰখাৰ দৰে ৰাখিবা।)

আৰু যেতিয়া সাৰ পাবা তেতিয়া পঢ়িবা "আলহামদু লিল্লাহিল্লাযী আ-ফা-নী ফী জাছাদি,ৱা ৰাদ্দা আলায়্যা ৰুহী,ৱা আযিনালী বিযিকৰিহী।" (অৰ্থ: সমস্ত প্ৰশংসা সেইজনৰ বাবে যিয়ে মোক সুস্থতা দান কৰিলে,মোৰ প্ৰাণ মোক ঘূৰাই দিলে। আৰু মোক নিজৰ জিকিৰ কৰাৰ অনুমতি দিলে।)

(ترمذی،ابواب الدعوات،باب—۲۰،
۹/۷۸حدیث—۳٤۰۲،ط—دار ابن کثیر دمشق،بیروت)

### ❀ নিদ্ৰা অৱস্থাত ৰূহ ❀

ইবনুল কয়্যিমে তেওঁৰ কিতাপ "আৰ্ৰুহ" ত লিখিছে:

أرواح المؤمنين تحت العرش، (وقيل تعرج روحه إن كان مؤمنًا إلى عرش الرحمن وتسجد عنده،) وأرواح الفسقة والمجرمين أصحاب الغناء والطرب الذين ينامون على المعاصي هؤلاء تذهب أرواحهم إلى الحمام في الأرض، تجول مع الشياطين والعياذ بالله

টোপনি অৱস্থাত মোমিনৰ ৰূহ আল্লাহৰ আৰচৰ তলত ছিজদাহ কৰি থাকে। আৰু ফাছিক বা গুণাহগাৰ আৰু সম্পদশালী ব্যক্তিৰ ৰূহ যিয়ে গুণাহত লিপ্ত থাকি শুলে সেইসকলৰ ৰূহ শৌচালয়ত চয়তানৰ লগত ঘূৰি ফুৰে।

(الروح، کتاب الروح لابن القیم)

(শোৱাৰ সময়ৰ দোআ-আল্লাহুম্মা বিছমিকা আমুতু ওৱা আহয়া)

والله اعلم بالصواب

ইঞ্জামুল হক,দৰং,অসম।

إن ترد الأصل فإرجع إلى

+918638731917 Inzamul_78

Scanned with CamScanner